Total No. of Printed Pages—4

**3 SEM TDC ASM M 2**

**2019**

( November )

ASSAMESE

( Major )

Course : 302

( অসমীয়া কবিতাৰ অধ্যয়ন )

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমুকৈ উত্তৰ লিখাঁ : ১×৮=৮

(ক) চৰ্যাগীত বা চৰ্যাগীতি কোষ ৰূপে পৰিচিত মূল গ্ৰন্থখনৰ নাম কি আছিল ?

(খ) 'শ্ৰীকৃষ্ণ কীৰ্ত্তন' গ্ৰন্থখনৰ ৰচকজনৰ নাম লিখাঁ।

(গ) 'ফুলকোঁৱৰ-মণিকোঁৱৰৰ গীত' অসমীয়া সাহিত্যত কোন শ্ৰেণী গীতৰ অন্তৰ্ভুক্ত ?

(ঘ) 'বৰছা কুঁৱৰী' তোমাৰ পাঠ্য কোনটো কবিতাৰ অন্তৰ্গত ?

(ঙ) আবেলি বেলিকা তৰিলে তাঁত।
পৈয়েকৰ ছিঙিলে উজুতিত দাঁত॥

শাৰী দুটা কোনটো কবিতাৰ পৰা তুলি দিয়া হৈছে?

(চ) 'দুতী অগ্ৰাব্ৰতী' বুলি কাক বুজোৱা হৈছে?

(ছ) 'ঊষা পৰিণয়'ৰ কাব্যকাৰ কোন?

(জ) অসমীয়া কাব্যজগতত অতিন্দ্ৰীয়বাদী কবি ৰূপে খ্যাত কবিগৰাকী কোন?

২। (ক) অসমীয়া কবিতাৰ সুদীৰ্ঘ ইতিহাসত বৈষ্ণৱ যুগৰ অৱদান সম্পৰ্কে আলোচনা আগবঢ়োৱাঁ। ১৫

*অথবা*

(খ) আধুনিক অসমীয়া কবিতাৰ গতি-প্ৰকৃতি বিষয়ে এটি টোকা যুগুত কৰাঁ।

৩। (ক) আখ্যানমূলক গীতসমূহৰ বৈশিষ্ট্য আলোচনা কৰি 'মণিকোঁৱৰৰ গীত'ৰ বিষয়বস্তুৰ আভাস দাঙি ধৰাঁ। ৭+৭=১৪

*অথবা*

(খ) জুনাগীত সম্পৰ্কে পৰিচয় দাঙি ধৰি 'কপাহৰ জুনা' শীৰ্ষক কবিতাটোৰ কথাখিনি গদ্যৰ ভাষাৰে লিখাঁ। ১৪

৪। (ক) কবিজনাৰ পৰিচয় আগবঢ়াই 'হনুমানৰ লঙ্কা দৰ্শন' কাব্যখণ্ডৰ মূল কথাখিনি নিজা ভাষাৰে লিখাঁ। ৭+৭=১৪

অথবা

(খ) দ্বিজ ৰামৰ চমু পৰিচয় দাঙি ধৰি 'চাহাপৰী উপাখ্যান'ৰ কাব্যিক সৌন্দৰ্য আলোচনা কৰা। ৬+৮=১৪

৫। (ক) 'একুৰা জুই' কবিতাটোত প্ৰকাশ পোৱা গভীৰ স্বদেশানুৰাগ আৰু সংস্কাৰকামী মনোভাৱৰ বিষয়ে বিৱৰি লিখাঁ। ১৪

অথবা

(খ) কবিগৰাকীৰ পৰিচয় দাঙি ধৰি 'চিৰচেনেহী মোৰ ভাষা জননী' কবিতাটোৰ ভাৱাৰ্থ লিখাঁ। ৫+৯=১৪

৬। (ক) আধুনিক কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে চমু আলোচনা আগবঢ়াই 'ইয়াত নদী আছিল' কবিতাটোৰ মূলভাৱ লিখাঁ। ৭+৮=১৫

অথবা

(খ) যি কোনো তিনিছোৱা কবিতাৰ ব্যাখ্যা কৰা : ৫×৩=১৫

(১) আকৌ আহিব তেনে বান। ব্যাপ্ত হ'ব সমুদ্ৰ আকৌ।
আন্ধাৰ ছাঁয়াৰ সতে নিশব্দ খোজেৰে মৃত্যু
আহিব হঠাৎ। সেই বাবে
বৰ ভয় লাগে, বৰ ভয় লাগে সমুদ্ৰক।

(২) অগ্নিসম্ভৱা, নয়নত লোৱা
প্ৰলয় শিখাৰ তীৰ
অগ্নিকণিকা বৰষি সৰক
দুটি নয়নৰ নীৰ

(৩) উঠা মিস্ত্রী, কঁহাৰ, কমাৰ
আন্ধাৰৰ শেষ আহিল তোমাৰ
লোৱা অধিকাৰ নিজ বাহুবলে
নিজে কৰা কৰ্মৰ,
কাঠমিস্ত্রীৰ ঘৰ।

(৪) দুৰ্ব্বাৰ দুঃসঙ্গ দুৰ্ব্বাসনা দুষ্ট
হৰি হৰি হৰি হৰি এ
অনাদি অবিদ্যা আপুনি ভৈলো মোহিত।
অনাত্মা দেহক আত্মা-বুদ্ধি কৰি
হৰি হৰি হৰি হৰি এ
তুমি পৰমাত্মা ঈশ্বৰে ভৈলো বঞ্চিত॥

★★★